**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 28-05-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। ৰাজনৈতিক দলসমূহে লোকসভা নিৰ্বাচনৰ সপ্তম তথা অন্তিম পৰ্যায়ৰ বাবে প্ৰচাৰ তীব্ৰতৰ কৰি তুলিছে।

২। কংগ্ৰেছে সংৰক্ষণৰ নামত ভোটবেংকৰ ৰাজনীতিত লিপ্ত হোৱা বুলি প্ৰধানমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদীয়ে অভিযোগ তুলিছে।

৩। ৰাজ্যত আজি ধাৰাসাৰ ধুমুহা-বৰষুণৰ ফলত দুজন লোকে প্ৰাণ হেৰুৱাইছে আৰু ১২ গৰাকী শিক্ষাৰ্থীসহ ১৭ জন লোক আহত হৈছে।

৪। ওড়িশা ভ্ৰমণৰত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ধুমুহা-বৰষুণৰ ফলত ৰাজ্যত উদ্ভৱ হোৱা পৰিস্থিতিৰ বুজ লৈছে।

আৰু

৫। ভাৰতৰ ৰোহন বোপন্না আৰু য়ুকি ভাম্ব্ৰী আজি নিজ নিজ সংগীৰ সৈতে পেৰিছত হ'বলগীয়া ফ্ৰেন্স অপেন টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছৰ প্ৰথম ৰাউণ্ডৰ খেলত অৱতীৰ্ণ হ'ব।

ooooooo

ৰাজনৈতিক দলসমূহে লোকসভা নিৰ্বাচনৰ সপ্তম তথা অন্তিম পৰ্যায়ৰ বাবে প্ৰচাৰ তীব্ৰতৰ কৰি তুলিছে। এই পৰ্যায়ত পহিলা জুনত ৭ খন ৰাজ্য আৰু এটা কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৫৭টা সমষ্টিত ভোটগ্ৰহণ কৰা হ'ব। সপ্তম পৰ্যায়ত মুঠ ৯০৪ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে।

জ্যেষ্ঠ বিজেপি নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ঝাৰখণ্ডৰ ডুমকা বিমানবন্দৰ খেলপথাৰত এখন নিৰ্বাচনী সভাক সম্বোধন কৰিব। বিজয় সংকল্প যাত্ৰাৰ অংশ হিচাপে সংসদীয় সমষ্টিটোৰ পৰা বিজেপিৰ হৈ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা সীতা ছ'ৰেনৰ সমৰ্থনত এই সভাৰ আয়োজন কৰা হৈছে।

ইপিনে, বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই কাইলৈ দেওঘৰত ৩খন নিৰ্বাচনী সভাত ভাগ ল'ব। আনহাতে, জ্যেষ্ঠ কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়েও সমষ্টিটোত পৰহিলৈ নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰাৰ কথা আছে। প্ৰধানমন্ত্ৰীয়ে আজি পশ্চিমবংগৰ বাৰাচাত সমষ্টিৰ দুখন নিৰ্বাচনী সভাত ভাগ ল'ব। তেওঁ লগতে কলকাতাত এটা ৰোড শ্ব'তো ভাগ ল'ব। ইফালে, আৰ জে ডিৰ নেতা তেজস্বী প্ৰসাদ যাদৱে আজি বক্সাৰ, চাচাৰাম, জেহানাবাদ আৰু পাতলিপুত্ৰ সমষ্টিত কেইবাখনো নিৰ্বাচনী সভাত ভাগ ল'ব।

ooooooo

কংগ্ৰেছে সংৰক্ষণৰ নামত ভোটবেংকৰ ৰাজনীতিত লিপ্ত হোৱা বুলি প্ৰধানমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদীয়ে অভিযোগ তুলিছে। এটা বাতৰি যোগান প্ৰতিষ্ঠানৰ সৈতে হোৱা সাক্ষাৎকাৰত শ্ৰী মোদীয়ে কয় যে বিৰোধী দলটোৱে ভোটবেংকৰ ৰাজনীতিৰ বাবে সংবিধানৰ বুনিয়াদী নীতি উলংঘা কৰিছে। শ্ৰী মোদীয়ে কয় যে তেওঁ অনুসূচিত জাতি-জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ লোকসকলক কংগ্ৰেছে যে তেওঁলোকৰ সৈতে প্ৰবঞ্চনা কৰি আছে, সেই বিষয়ে অৱগত কৰিব খোজে। শ্ৰী মোদীয়ে কয় যে তেওঁ এই লোকসকলক অধিকাৰৰ সুৰক্ষাৰ বাবে যুঁজ দি যাব। বিৰোধী পক্ষৰ দলসমূহে তেওঁলোকৰ বিৰুদ্ধে বিধি বলবৎকাৰী সঞ্চালকালয়, চি বি আই আৰু আয়কৰ বিভাগক ব্যৱহাৰ কৰা বুলি উত্থাপন কৰা

অভিযোগ সম্পৰ্কে সোধা এটা প্ৰশ্নৰ উত্তৰত প্ৰধানমন্ত্ৰীয়ে কয় যে তেওঁৰ চৰকাৰে দুৰ্নীতিৰ প্ৰতি শূন্য সহনশীলতাৰ নীতি গ্ৰহণ কৰি আহিছে।

এইবাৰৰ লোকসভা নিৰ্বাচনত জম্মু-কাশ্মীৰত হোৱা ব্যাপক ভোটদান সন্দৰ্ভত সোধা অন্য এটা প্ৰশ্নৰ উত্তৰত শ্ৰী মোদীয়ে কয় যে এয়া তেওঁৰ বাবে বৃহৎ সন্তুষ্টিৰ বিষয়, কিয়নো জম্মু-কাশ্মীৰৰ ভাই-ভনীসকলে অসীম আগ্ৰহেৰে ভোটদানৰ বাবে আগবাঢ়ি আহিছে। তেওঁলোকে গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰি সমগ্ৰ বিশ্ব আৰু সন্দেহৰ অৱতাৰণা কৰি অহাসকলক এটা স্পষ্ট বাৰ্তা দিছে বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে। তেওঁ কয় যে জনসাধাৰণে ভোটদান কৰাৰ অৰ্থ এইটো নহয় যে তেওঁলোকে কাৰোবাক জয়ী কৰাব বিচাৰে, বৰং ইয়াৰ অৰ্থ এয়ে যে তেওঁলোকে ভাৰতীয় সংবিধান গ্ৰহণ কৰিছে। শ্ৰী মোদীয়ে লগতে সমগ্ৰ ভাৰতৰ উৎসাহৰ প্ৰতি নিষ্ঠা প্ৰকাশ কৰে।

০০০০০০০

ভয়াৱহ ঘূৰ্ণী বতাহ ৰেমলৰ পৰা উদ্ভৱ হোৱা পৰিস্থিতিৰ সৈতে মোকাবিলা কৰিবলৈ ভাৰতীয় উপকূলৰক্ষী বাহিনীয়ে কেন্দ্ৰীয় আৰু ৰাজ্যিক সংস্থাসমূহলৈ সহযোগিতা আগবঢ়াইছে। বংগোপ সাগৰত সৃষ্টি হোৱা নিম্নচাপ ২২ মে'ত ঘূৰ্ণী বতাহলৈ ৰূপান্তৰিত হৈছিল আৰু তাৰ পাছতেই পশ্চিমবংগ আৰু বাংলাদেশৰ উপকূলত প্ৰৱেশ কৰিছিল।

প্ৰতিৰক্ষা মন্ত্ৰালয়ে এটা বিবৃতিযোগে কৈছে যে উপকূলৰক্ষী বাহিনীৰ উত্তৰ-পূব সংমণ্ডলৰ মুখ্য কাৰ্যালয়ে পূৰ্বে নিৰ্ধাৰণ কৰা অনুসৰি বিভিন্ন কেন্দ্ৰীয় আৰু ৰাজ্যিক সংস্থাৰ সৈতে সমন্বয় নিশ্চিত কৰিছে যাতে সাগৰত কোনোধৰণৰ প্ৰাণ বা সম্পত্তিৰ ক্ষতি নহয় আৰু প্ৰতিকুল পৰিস্থিতিৰ সৃষ্টি নহয়। ভাৰতীয় উপকূলৰক্ষী বাহিনীৰ হলদিয়া আৰু পাৰাদ্বীপ ষ্টেচনৰ পৰা ঘূৰ্ণী বতাহজাকৰ আগজাননী দিয়া হৈছিল আৰু মাছ ধৰা নাও বা বাণিজ্যিক জাহাজসমূহৰ চলাচলত নিষেধাজ্ঞা আৰোপ কৰা হৈছিল। উল্লেখযোগ্য যে ভূৱনেশ্বৰৰ পৰা দুখন আই চি জি ডৰ্নিয়াৰ বিমানে বংগোপসাগৰৰ উত্তৰ অঞ্চলত নিৰীক্ষণ চলাইছিল।

০০০০০০০

ৰাজ্যত আজি ধাৰাসাৰ ধুমুহা-বৰষুণৰ ফলত দুজন লোকে প্ৰাণ হেৰুৱাইছে আৰু ১২ গৰাকী শিক্ষাৰ্থীসহ ১৭ জন লোক আহত হৈছে। মৰিগাঁও জিলাৰ ধূপগুৰিত এগৰাকী ছাত্ৰৰ গাত গছ বাগৰি পৰাৰ ফলত মৃত্যুমুখত পৰে। আনফালে, গেৰুকামুখত এন এইচ পি চি প্ৰকল্পৰ কৰ্মী এগৰাকীৰ ভূমি স্খলনৰ ফলত মৃত্যু ঘটে। বংগোপ সাগৰত সৃষ্টি হোৱা ৰেমল ঘূৰ্ণী বতাহৰ প্ৰভাৱত ৰাজ্যৰ বিভিন্ন ঠাইত ধাৰাসাৰ বৰষুণ হৈ আছে আৰু কেইবাখনো জিলাত সতৰ্কতা জাৰি কৰা হৈছে। চৰকাৰী সংস্থাসমূহে বঙাইগাঁও, দৰং, ধুবুৰী, হোজাই, কামৰূপ, কোকৰাঝাৰ, মৰিগাঁও, নগাঁও, শোণিতপুৰ আৰু দক্ষিণ শালমাৰা মানকাচৰ জিলাত ধুমুহাৰ ফলত হোৱা ক্ষয়-ক্ষতিৰ মূল্যায়ন কৰি আছে। কৰিমগঞ্জ জিলাৰ পাথাৰকান্দি ৰাজহচক্ৰৰ ঠাই বিশেষে আকস্মিক বানৰ সৃষ্টি হোৱা দেখা গৈছে। ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈসমূহৰ পানী ভালেমান ঠাইত বৃদ্ধি পাইছে। চিৰাং, গোৱালপাৰা, বাক্সা, ডিমা-হাচাও, কাছাৰ, হাইলাকান্দি, কৰিমগঞ্জ জিলাত ৰেড এলাৰ্ট জাৰি কৰাৰ বিপৰীতে ধুবুৰী, দক্ষিণ শালমাৰা, বঙাইগাঁও, বজালী, তামুলপুৰ, বৰপেটা, নলবাৰী, মৰিগাঁও, নগাঁও, হোজাই আৰু পশ্চিম কাৰ্বি আংলং জিলাত অ'ৰেঞ্জ এলাৰ্ট জাৰি কৰা হৈছে।

গুৱাহাটীকে ধৰি ৰাজ্যৰ ভালেমান জিলাত নেৰানেপেৰা বৰষুণ আৰু ধুমুহাৰ ফলত কালি সন্ধিয়াৰে পৰা বিদ্যুৎ যোগান ব্যাহত হৈ আছে। কেইবাখনো জিলাৰ প্ৰশাসনে সতৰ্কতামূলক ব্যৱস্থাৰ অংশ হিচাপে আজি বিদ্যালয় বন্ধ ৰখাৰ কথা ঘোষণা কৰিছে আৰু উত্তৰ-পূব সীমান্ত ৰে'লৱেই কেইবাখনো ৰে'লগাড়ীৰ যাত্ৰা বাতিল কৰিছে। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে সকলো জিলা দুৰ্যোগ ব্যৱস্থা প্ৰাধিকৰণক পৰিস্থিতিৰ পৰ্যালোচনা চলাবলৈ আৰু প্ৰয়োজন সাপেক্ষে বিশেষকৈ ধুবুৰী, গোৱালপাৰা, দক্ষিণ শালমাৰা, মানকাচৰ, বঙাইগাঁও আৰু বৰপেটা জিলাত ব্ৰহ্মপুত্ৰত নাও চলাচল নিয়ন্ত্ৰণ কৰিবলৈ নিৰ্দেশ দিছে। বৰাক উপত্যকাৰ বৰাক আৰু কুশিয়াৰা নৈতো নাও চলাচল নিয়ন্ত্ৰণ কৰিবলৈ কোৱা হৈছে।

ৰাজ্য চৰকাৰে ধাৰাসাৰ বৰষুণ আৰু ধুমুহাৰ প্ৰতি লক্ষ্য ৰাখি নাগৰিকৰ সুৰক্ষা সুনিশ্চিত কৰাৰ বাবে ব্যাপক ব্যৱস্থা গ্ৰহণ কৰিছে। ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনী আৰু ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনীৰ দলক সাজু কৰি ৰখা হৈছে আৰু নিয়ন্ত্ৰণ কক্ষসমূহ সক্ৰিয় কৰি তোলা হৈছে। ৰাজ্য চৰকাৰে লগতে জনসাধাৰণক স্থানীয় প্ৰশাসনৰ সৈতে সহযোগিতা কৰিবলৈ আহ্বান জনাইছে। উল্লেখযোগ্য যে ভাৰতীয় বতৰ বিজ্ঞান বিভাগে আজি গোৱালপাৰা, ডিমা-হাচাও, কাছাৰ আৰু কৰিমগঞ্জ জিলাত ধাৰাসাৰ বৰষুণ হ'ব পাৰে বুলি আগলি বতৰা দিছে।

0000000

সম্প্ৰতি নিৰ্বাচনৰ প্ৰচাৰ উদ্দেশ্যে ওড়িশাত থকা মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যত ধুমুহা-বৰষুণৰ ফলত সৃষ্টি হোৱা পৰিস্থিতিৰ মূল্যায়নৰ অৰ্থে মুখ্য সচিবৰ সৈতে কথা পাতে আৰু সাহায্য, পুনৰবাসন তথা সতৰ্কতামূলক ব্যৱস্থাসমূহ সূক্ষ্মভাৱে নিৰীক্ষণ কৰিবলৈ নিৰ্দেশ দিয়ে। ডঃ শৰ্মাই লগতে ধুমুহা-বৰষুণ আৰু ভূমিস্খলনৰ ফলত দুজন লোকৰ প্ৰাণনাশৰ ঘটনাক লৈ গভীৰ শোক প্ৰকাশ কৰিছে।

0000000

পশ্চিমবংগত ৰেমল ঘূৰ্ণী বতাহজনিত ঘটনাত ছজন লোকে প্ৰাণ হেৰুৱাইছে। উত্তৰ আৰু দক্ষিণ ছবিবশ পৰগনা জিলা, কলকাতা আৰু কাষৰীয়া অঞ্চলসমূহত বৰষুণ আৰু ধুমুহা বন্ধ হৈছে যদিও দক্ষিণ আৰু উত্তৰ ছবিবশ পৰগনা জিলাৰ উপকূলীয় এলেকাৰ অধিকাংশ পানীৰ তলত বুৰ গৈ আছে। পৰিস্থিতি উন্নত হোৱালৈ চাই জনসাধাৰণে চৰকাৰী আশ্ৰয় স্থলীৰ পৰা নিজ ঘৰলৈ উভতিবলৈ লৈছে। অৱশ্যে উত্তৰ বংগৰ একাংশ জিলাত আজি পুনৰ বৰষুণ হৈছে।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি স্বাধীনতা সংগ্ৰামী বীৰ সাৱৰকাৰৰ জয়ন্তী উপলক্ষে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাযোগে শ্ৰী মোদীয়ে কৈছে যে মাতৃভূমিৰ সেৱাত নিজৰ জীৱন উচৰ্গা কৰা বীৰ সাৱৰকাৰ সদায় দেশবাসীৰ বাবে প্ৰেৰণাৰ উৎস হৈ থাকিব।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পাপুৱা নিউগিনিত সংঘটিত হোৱা ভয়াৱহ ভূমি স্খলনৰ ফলত কেইবাজনো লোক নিহত হোৱাক লৈ গভীৰ শোক প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্টযোগে শ্ৰী মোদীয়ে কৈছে যে ক্ষতিগ্ৰস্ত পৰিয়ালসমূহলৈ ভাৰতে সমবেদনা জ্ঞাপন কৰাৰ লগতে আহতসকলৰ আশু-আৰোগ্য কামনাৰ বাবে প্ৰাৰ্থনা জনাইছে। ভাৰতে সম্ভৱপৰ সকলো সহায় আৰু সহযোগিতা আগবঢ়াবলৈ সাজু হৈ আছে বুলিও প্ৰধানমন্ত্ৰীগৰাকীয়ে বাৰ্তাটোত উল্লেখ কৰে।

0000000

ভাৰতৰ ৰোহন বোপন্না আৰু য়ুকি ভাম্ব্ৰী আজি নিজ নিজ সংগীৰ সৈতে পেৰিছত হ'বলগীয়া ফ্ৰেন্স অপেন টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছৰ প্ৰথম ৰাউণ্ডৰ খেলত অৱতীৰ্ণ হ'ব। দ্বিতীয় বাছনিপ্ৰাপ্ত বোপন্না আৰু অষ্ট্ৰেলিয়াৰ মেথিউ এবডেনৰ যুটীটো প্ৰথম ৰাউণ্ডত ফিনলেণ্ডৰ ইমিল ৰুছুভ'ৰী আৰু হাংগেৰীৰ মাৰ্টিন ফুকছ'ভিক্সৰ মুখামুখী হোৱাৰ বিপৰীতে য়ুকি ভাম্ব্ৰী আৰু ফ্ৰান্সৰ আলবান' অলিভেট্টিৰ যুটীটো ৰাছিয়াৰ ৰোমান ছাফিউলিন আৰু অষ্ট্ৰেলিয়াৰ জন পিয়াৰছৰ যুটীটোৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

অৱশ্যে ভাৰতৰ সুমীত নাগল কালি প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছৰ প্ৰথম ৰাউণ্ডত ৰাছিয়াৰ কাৰেন খাছান'ভৰ বিৰুদ্ধে ২-৬, ০-৬, ৬-৭ গেমত পৰাস্ত হয়।

0000000

**সমাপ্ত**